NAME = Sri Barasha mahanta.

class = (X) A.M.

Roll NO = 9

School Name = KalaGuru Bishnu Rabha H.S School.

# লাচিত বৰফুকন

অসমৰ ইতিহাসত দেশপ্ৰেমিক বীৰ বুলি ক'লে বিশেষভাৱে লাচিত বৰফুকনৰ নামেই লোৱা হয়। ঐতিহাসিক আহোম-মোগলৰ শৰাইঘাট যুদ্ধৰ মূল নেতৃত্ব ল'ব লগা হৈছিল লাচিত বৰফুকনে। মোগলৰ বিৰুদ্ধে লাচিত বৰফুকনৰ যুদ্ধ পৰিচালনাৰ কাহিনীত যি জাতীয় দায়বদ্ধতা, নিয়মানুবৰ্তিতা আৰু একমুখী কাৰ্যপন্থাৰ উদাহৰণ পোৱা যায়, অসমৰ ইতিহাসত তেনে আন উদাহৰণ সততে পোৱা নাযায়। এইগৰাকী লাচিত বৰফুকনৰ জন্ম হয় ১৬২২ খ্ৰীষ্টাব্দত। দিন-বাৰ আৰু স্থান সম্পৰ্কে সঠিকভাৱে জনা নহ'লেও গড়গাঁৱৰ ওচৰে-পাজৰে বুলি অনুমান কৰা হয়। তেওঁৰ দেউতাকৰ নাম আছিল মোমাই তামুলী বৰবৰুৱা। কনিষ্ঠ সন্তান লাচিতৰ তিনিজন ককায়েক আছিল। তেওঁলোক হ'ল — লালুকসোলা, মৰংগী আৰু ভাৰধীৰা। সৰুৰে পৰা লাচিত ~~আছিল~~ আছিল বৰ সাহসী। সততা আৰু স্পষ্টবাদিতা তেওঁৰ অনন্য বৈশিষ্ট্য। দেউতাকে মোমাই তামুলীয়ে নিজৰ সন্তানক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিবলৈ সদায়েই চেষ্টা কৰিছিল। সৰুতে পৰা দেউতাকৰ কাম-কাজ লাচিতে প্ৰত্যক্ষ কৰাৰ সুবিধা পাইছিল। খুব সোনকালেই নিজৰ দক্ষতাৰ বলত ৰজাঘৰত লাচিতে নিযুক্তি লাভ কৰিছিল।

লাচিত খঙত জ্বলি-পকি উঠিল আৰু হেংদাং উলিয়াই এককে মোমায়েকৰ কাটি দুচোৰা কৰি দিলে — 'দেশতকৈ মোমাই ডাঙৰ নহয়'। লাচিতৰ এনে উগ্ৰমূৰ্তি দেখি গড়ৰ কাম কৰা লোকসকলে বৰ ভয় খালে আৰু অপৰিসীমা পৰিশ্ৰম কৰি ৰাতিটোৰ ভিতৰতে গড়ৰ কাম সম্পূৰ্ণ কৰি তুলিলে। সেই গড়টোক এতিয়া 'মোমাই কটা গড়' নামেৰে জনা যায়। তদুপৰি 'দেশতকৈ মোমাই ডাঙৰ নহয়' কথাষাৰ এতিয়াও শ্ৰেষ্ঠ দেশপ্ৰেমমূলক বাক্য বুলি গণ্য কৰা হয়। আহোম আৰু মোগলৰ সৰ্বশেষ যুদ্ধখনেই হ'ল শৰাইঘাটৰ যুদ্ধ। ১৬৭১ চনৰ মাৰ্চ মাহৰ মাজভাগত এই যুদ্ধ সংঘটিত হৈছিল। ৰামসিংহই জলপথেৰে আন্ধাৰুবালিৰ গড়লৈ গৈ সেই গড় অধিকাৰ কৰি গুৱাহাটীত আক্ৰমণৰ পৰিকল্পনা কৰিলে। অসমীয়া সেনাপতিৰ নেতৃত্বত কেইখনমান অসমীয়া নাৱে মোগলৰ নাও খেদি আহি অশ্বক্লান্ত পালেগৈ। আহোমৰ সেনাপতি লাচিত বৰফুকনৰ গা বেয়া বুলি অসমীয়া সৈন্যসকলৰ মনোবল কিছু হ্ৰাস ~~হ~~ হৈছিল। লাচিতে আগবাঢ়ি গ'ল। পিছ হুহকি উজাই অহা অসমীয়া সেনাৰ নাওবোৰ দেখি নাওচীয়াহঁতে ভাবিলে যে বৰফুকনো নিশ্চয় উজাই যাবগৈ। সিহঁতে উজনিলৈ বুলি নাওঁ মেলিলে। লাচিত বৰফুকনে চিঞৰি ~~কৈ~~ উঠিল - 'অই, কি কৰিছ তহঁতে? স্বৰ্গদেৱে মোক গুৱাহাটী ৰক্ষা কৰি ~~শ~~ শত্ৰুৰ লগত যুঁজিবলৈ দায়িত্ব দি থৈছে। বৰফুকনে যুদ্ধ এৰি যাবলৈ চিঞৰাসকলক ~~কাট~~ কাটিছে, ধৰি-বান্ধি নদীত পেলাই দিছে। লগে লগে

প্ৰথম অৱস্থাত ৰাজমন্ত্ৰী ডেঙ্গীয়াই 'হাঁচতিৰিৰ তামুলী' হিচাপে লাচিতক নিযুক্তি দিয়ে। ইয়াৰ পিছতে কিছুদিনৰ বাবে 'ঘোঁৰা বৰুৱা' পদবী তেওঁ লাভ কৰে। এই পদবীত থকাৰ সময়ত ৰজাৰ ঘোঁৰাশালত ভালেমান ঘোঁৰাক তত্ত্বাৱধান কৰি সেইবোৰক প্ৰশিক্ষণ দিছিল। ইয়াৰ পিছতে দোলীয় বৰুৱা আৰু 'শিমলুগুৰীয়া ফুকনৰ পদত নিযুক্তি লাভ কৰে। সেই সময়তে মিৰজুমলাই অসম আক্ৰমণ কৰাত লাচিতে দিগৌমুখত শত্ৰুসৈন্যৰ লগত যুদ্ধ কৰিছিল আৰু নিজৰ দক্ষতা দেখুৱাই কৰিছিল। লাচিতৰ পাৰদৰ্শিতা আৰু পৰাক্ৰমৰ উমান পাই সেই সময়ত আহোম ৰজা চক্ৰধ্বজ সিংহই লাচিতক বৰসেনাপতি পাতিলে আৰু বৰফুকন পদত নিযুক্ত কৰিলে। ইয়াৰ কিছুদিন পিছতে ১৬৬৭ চনৰ ২০ আগষ্টত আহোম-মোগলৰ যুদ্ধ আৰম্ভ হয়। অসমীয়া সেনা দুভাগত বিভক্ত হৈ ব্ৰহ্মপুত্ৰত যাত্ৰা আৰম্ভ কৰিলে। মোগলৰ লগত প্ৰথমখন যুদ্ধ আৰম্ভ হ'ল ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে থকা বাঁহবাৰীত। তাতে বাহৰ পতা মোগলক আক্ৰমণ কৰি আহোম সেনাই যুদ্ধৰ পাতনি মেলিলে। আমিনগাঁৱৰ উত্তৰৰ গড় এটা নিৰ্মাণৰ মূল দায়িত্ব পৰিছিল লাচিতৰ এজন মোমাইয়েকৰ ওপৰত। মোমায়েকৰ দায়িত্বহীনতাৰ বাবেই গড়টোৰ কাম বহুত পিছ পৰি থকাত

কিছুমানে ভয়তে আৰু কিছুমানে উৎসাহত নাও আকৌ ভটীয়াই নিবলৈ ধৰিলে । মোগলৰ নাৱৰ ফালে আগবাঢ়ি যোৱা বৰফুকনৰ সাতখন নাৱৰ লগ ল'বলৈ কেউফালৰ পৰা অসমীয়া নাওবোৰ দ্ৰুত গতিৰে আগবাঢ়ি আহিল । আগবাঢ়ি অহা মোগলৰ নাওবোৰো আচৰিত হৈ গ'ল । পৰিস্থিতি যে এনেকৈ হঠাতে সলনি হৈ যাব পাৰে এজন বীৰ সেনাপতিয়ে যে এনেকৈ যুদ্ধৰ গতি ঘূৰাই দিব পাৰে সেয়া মোগলে ভাবিবই পৰা ~~নাই~~ নাছিল । অসমীয়া সাহসেৰে অসমীয়া নাওবোৰ আহি মোগলৰ নাওৰ মাজত সোমাল আৰু দুয়োপক্ষৰ মাজত প্ৰচণ্ড যুদ্ধ হ'ল । যুদ্ধ হ'ল মূলতঃ তিনি ঠাইত — অশ্বক্লান্ত, ইটাখুলি আৰু কামাখ্যা পাহাৰৰ নামনিত । লাচিতে সৈন্যসকল আৰু সেনাপতিসকলৰ মাজত এনে ভাৱে জগাই দিছিল যে এই যুদ্ধত জয়লাভ কৰিলেহে অসমীয়াসকলৰ ভূমি, স্বাধীনতা আৰু প্ৰাণ ৰক্ষা পৰিব । ইফালে প্ৰথম অৱস্থাত লাচিত বৰ অসুস্থ, লাচিতে যুদ্ধ কৰি মোৰাৰে ।— সেইবোৰ কথাই মোগলসকলক অনুপ্ৰাণিত কৰিছিল আৰু অসমীয়াসকলৰ মনত উৎসাহ আৰু আত্মবিশ্বাস প্ৰসাৰ কৰিছিল । তিনিও ঠাইত মোগল সেনাৰ পৰাজয় হৈছে আৰু মোগলৰ নাওবোৰ ক্ৰমে পিছুৱাই যাবলৈ ধৰিছে । যুদ্ধত অসমীয়া সৈনাৰ নিৰংকুশ বিজয় সাব্যস্ত হ'ল । এইখন যুদ্ধ শৰাইঘাটৰ যুদ্ধ হিচাপে প্ৰখ্যাত । খ্ৰীষ্টীয় ১৬৭১ চনৰ ৫ এপ্ৰিলত ৰামসিংহই আটীমুৰা যাত্ৰা আৰম্ভ কৰিলে । শৰাইঘাটৰ যুদ্ধৰ কিছুদিন পাছত গুৱাহাটীতে লাচিত বৰফুকনৰ মৃত্যু হ'ল ।